অধ্যায় ৩ ঃ উন্নয়ন সংযোগৰ তত্ত্ব

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ উন্নয়নৰ তত্ত্ব
  ৩.৩.১ আধুনিকীকৰণ তত্ত্ব
  ৩.৩.২ উদ্ভাৱন প্ৰসাৰ তত্ত্ব
  ৩.৩.৩ নিৰ্ভৰশীলতা তত্ত্ব
৩.৪ নিদৰ্শনৰ অৰ্থ আৰু গুৰুত্ব
৩.৫ নিদৰ্শনৰ প্ৰকাৰ
  ৩.৫.১ প্ৰভাৱশালী নিদৰ্শন
  ৩.৫.২ প্ৰভাৱশালী নিদৰ্শনৰ সমালোচনা
  ৩.৫.৩ বিকল্প নিদৰ্শন
৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৭ অগ্ৰগতিৰ খতিয়ান
৩.৮ অধিক জানিবলৈ
৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

* উন্নয়নৰ তত্ত্বসমূহ বহলাই ব্যাখ্যা কৰিব পাৰিব
* উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শনৰ সংজ্ঞা আগবঢ়াব পাৰিব
* প্ৰভাৱশালী নিদৰ্শনৰ সমালোচনাবোৰ বিশ্লেষণ কৰিব পাৰিব
* বিকল্প নিদৰ্শন কি বৰ্ণনা কৰিব পাৰিব

৩.২ পৰিচয়

আগৰ অধ্যায়বোৰ পঢ়ি আপুনি নিশ্চয় উন্নয়ন সংযোগৰ বিষয়ে এটা স্পষ্ট ধাৰণাৰ গৰাকী হৈছে। উন্নয়নৰ কাৰণে ব্যৱস্থা সংযোগৰ প্ৰণালী এটাকে সহজ ভাষাত উন্নয়ন সংযোগ বুলি কোৱা হয়। এই প্ৰণালীটোৰে মানৱ সমাজক বিভিন্ন দিশেৰে উন্নত কৰি তোলা আৰু অনুপ্ৰাণিত কৰাৰ প্ৰয়াস কৰা হয়। ই সাধাৰণতে বৃহত্তৰ জনগণক তথ্য জ্ঞাপনৰ দ্বাৰা উপকৃত কৰে।

এই অধ্যায়ত উন্নয়নৰ বিভিন্ন তত্ত্বৰ বিষয়ে আলোচনা কৰা হ'ব। সংযোগ ক্ষেত্ৰখনে উন্নয়ন বিষয়ক বিভিন্ন তত্ত্ব বিকশিত কৰিছে। এই অধ্যায়টিত ইয়াৰে দুটামানৰ বিষয়ে আলোচনা কৰা হ'ব। অধ্যায়টি পঢ়ি আপুনি তত্ত্ববোৰৰ বিভিন্ন দৃষ্টিকোণ সম্পৰ্কেও অৱগত হ'ব।

উন্নয়ন সংযোগৰ ধাৰণাটো খৰছি মাৰি বুজিবলৈ ইয়াৰ সৈতে জড়িত তত্ত্ববোৰৰ সম্যক জ্ঞান আহৰণ কৰা উচিত। আলোচনা কৰিব খোজা তত্ত্ববোৰে আপোনাক উন্নয়ন সংযোগৰ বিষয়ে আৰু গভীৰকৈ বুজাৰ সুযোগ দিব।

৩.৩ উন্নয়নৰ তত্ত্ব

সামাজিক উন্নয়নৰ পোষকতা আৰু প্ৰসাৰৰ উদ্দেশ্যেৰে ফলপ্ৰসূ সংযোগ ব্যৱস্থা বিকশাই তোলাৰ ক্ষেত্ৰত উন্নয়ন সংযোগৰ সহায় লোৱা হয়। সমাজত ইতিবাচক সামাজিক পৰিৱৰ্তন নিশ্চিত কৰিবলৈ সংযোগৰ প্ৰক্ৰিয়া, কৌশল আৰু নীতিবোৰ প্ৰণালীৱদ্ধভাৱে প্ৰয়োগ কৰাৰ অনুশীলনেই হ'ল উন্নয়ন সংযোগ।

আমি আলোচনাৰ বাবে লোৱা বিষয়টো হ'ল 'উন্নয়ন' (Development)ৰ বিভিন্ন তত্ত্ব। আলোচনা কৰিব খোজা প্ৰধান তত্ত্বকেইটা হ'ল-আধুনিকীকৰণ তত্ত্ব(Theory of Modernization), উদ্ভাৱন প্ৰসাৰ তত্ত্ব(Diffusion of Innovation) আৰু নিৰ্ভৰশীলতা তত্ত্ব (Theory of Dependency)। এই তত্ত্বকেইটাৰ জ্ঞানে উন্নয়ন সংযোগৰ ধাৰণাটো অধিক স্পষ্টকৈ বুজাত আপোনাক সহায় কৰিব।

৩.৩.১ আধুনিকীকৰণ তত্ত্ব

আধুনিকীকৰণ তত্ত্বটো হ'ল এক বিশেষ চিন্তাধাৰা (school of thought) আৰু দৃষ্টিভংগী। ইয়াৰ সৈতে আন বহুতো উমৈহতীয়া মতামত আৰু চিন্তা সংলগ্ন হৈ আছে। এই সকলোবোৰৰে মৌলিক যুক্তিটো হ'ল আধুনিকীকৰণ এক ইতিবাচক ঘটনা। এবাৰ আধুনিকীকৰণ ঘটাৰ পাছত ইয়াক নোহোৱা কৰিব নোৱাৰি আৰু সকলো সমাজেই এদিন নহয় এদিন আধুনিকীকৰণ প্ৰক্ৰিয়াৰ মাজেৰে গতি কৰিব।

আধুনিকীকৰণ প্ৰক্ৰিয়াটোত একাধিক ঢাপ থাকে। আধুনিকীকৰণ তত্ত্বৰ কেইগৰাকীমান স্বনামধন্য সমৰ্থক হ'ল ডেনিয়েল লেৰ্নাৰ, ৱাল্ট ৰ'ষ্ট', ডেভিড এপ্তাৰ আদি। তেওঁলোক আটায়ে লেটিন আমেৰিকা, এচিয়া আৰু আফ্ৰিকাৰ দৰে পৃথিৱীৰ বিভিন্ন স্থানত আহৰণ কৰা অভিজ্ঞতাৰ আধাৰত এই তত্ত্বটোৰ বিকাশত নিজ নিজ অৰিহণা আগবঢ়াইছে। এই তত্ত্বটোৰ সহায়ত দৰিদ্ৰতা আঁতৰ কৰি মানুহৰ জীৱন যাপনৰ মান উন্নত কৰাৰ প্ৰয়াস কৰা হয়। ই অৰ্থনৈতিক অৱস্থাৰ উন্নতিতো মনোনিৱেশ কৰে। এই তত্ত্বৰ সৈতে জড়িত চিন্তা-চৰ্চাবোৰত এটা অৰ্থনৈতিক আৰু ৰাজনৈতিক তত্ত্বৰূপে পুঁজিবাদে গভীৰ প্ৰভাৱ পেলাইছে।

১৯৫০ আৰু ১৯৬০ৰ দশক দুটাত আধুনিকীকৰণ তত্ত্বটোৱে গা কৰি উঠিছিল। ইয়াৰ সৈতে জড়িত প্ৰধান মতকেইটা হ'ল-

১) অৰ্থনৈতিক উন্নয়ন ঃ গণ মাধ্যমে আধুনিকীকৰণৰ বাবে আৱশ্যকীয় বিভিন্ন কাৰিকৰী আৰু সামাজিক উদ্ভাৱনৰ বিষয়ে সমগ্ৰ বিশ্বজুৰি পোষকতা তথা প্ৰসাৰ কৰিব পাৰে।

২) সাক্ষৰতামূলক আৰু সাংস্কৃতিক উন্নয়ন ঃ গণ মাধ্যমে সাক্ষৰতাৰ পোষকতা কৰিব পাৰে আৰু জনসাধাৰণক নানা প্ৰয়োজনীয় দক্ষতা তথা কৌশল আয়ত্ব কৰাত সহায় কৰিব পাৰে। গণ মাধ্যমবোৰে আধুনিকতাৰ অনুকূল মনোভাৱ গঢ়ি তোলাৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে।

৩) ৰাষ্ট্ৰীয় পৰিচয়ৰ বিকাশ ঃ গণ মাধ্যমে নতুন দেশবোৰক ৰাষ্ট্ৰীয় পৰিচয় গঢ়ি তোলাত সহায় কৰিব পাৰে। এনে দেশত পতা নিৰ্বাচনৰ দৰে আন বিভিন্ন গণতান্ত্ৰিক নীতি তথা প্ৰক্ৰিয়াৰলৈ গণ মাধ্যমে সমৰ্থন আগবঢ়াব পাৰে।

লেৰ্নাৰে উন্নয়ন সম্ভৱ কৰি তুলিব পৰা অৰ্থনৈতিক কাৰ্যকলাপবোৰ আৰু নগৰীকৰণ, সাক্ষৰতা, গণ মাধ্যমৰ ব্যৱহাৰ তথা গণতান্ত্ৰিক অংশগ্ৰহণৰ দৰে আধুনিকীকৃত চলকৰ সমষ্টি

এটাৰ মাজত থকা সহঃসম্বন্ধবোৰৰ অন্বেষণ কৰিছিল। তেওঁৰ অধ্যয়নত, আহিছিল যে এটা নগৰীয়া পৰিৱেশত সাক্ষৰতাৰ প্রসাৰ আৰু আধুনিকীকৰণৰ প্রভাৱবোৰৰ প্রতি অত্যন্ত সহানুভূতিশীল এক ভ্রাম্যমান ব্যক্তিত্বৰ উত্থানে তৃতীয় বিশ্বৰ দেশবোৰত পৰিৱর্তনক আকোঁৱালি লোৱাৰ পৰিৱেশ এটা সৃষ্টিৰ বাবে অনুকূল উপায় কিছুমানৰ বিকাশত সহায় কৰিব বুলি পোহৰলৈ আহিছিল। ডেভিড লের্নাৰ আৰু উইলবাৰ শ্রামৰ চিন্তাত নিহিত কেন্দ্রীয় কথাটো হ'ল সাক্ষৰতা আৰু গণ মাধ্যমৰ মাজত সংঘটিত আন্তঃক্রিয়াই এনে এক পথৰ সৃষ্টি কৰিব যিটোৰে জনসাধাৰণে পৰম্পৰাগত মনোভাৱ পৰিহাৰ কৰি আধুনিকতাৰ দিশে গতি ল'ব। এনেকৈয়ে পৰম্পৰাগত সমাজবোৰ এদিন নোহোৱা হ'ব।

১৯৪০ৰ দশকৰ শেষৰফালে আৰু ১৯৫০ৰ দশকৰ আৰম্ভণিতে সমাজ বিজ্ঞানৰ এটা নতুন আদর্শবাদী ধাৰা হিচাপে আমেৰিকা যুক্তৰাষ্ট্রত আধুনিকীকৰণ তত্ত্বৰ বিকাশ হৈছিল। ই চৰকাৰৰ নীতি প্রস্তুতকৰণ আৰু বিশ্ব পৰিক্রমা বিষয়ক নীতিক গভীৰভাৱে প্রভাৱিত কৰিছিল। আমেৰিকাৰ শিক্ষায়তনিক জগতত ই মুখ্য তত্ত্বৰ স্থান দখল কৰিছিল। ১৯৫০ আৰু ৬০ৰ দশকত পশ্চিমীয়া পণ্ডিতসকলে এই তত্ত্বটো ব্যৱহাৰ কৰিয়েই অধিকাংশ উন্নয়নমূলক প্রকল্পৰ পৰিকল্পনা প্রস্তুত কৰিছিল।

৩.৩.২ উদ্ভাৱন প্রসাৰ তত্ত্ব

এই তত্ত্বটোৱে নতুন ধাৰণা, সেৱা আৰু সামগ্রীৰ প্রসাৰৰ জৰিয়তে মানুহক প্রযুক্তিগত তথা সামজিক উদ্ভাৱনসমূহ গ্রহণ কৰাৰ বাবে অনুপ্রাণিত কৰাৰ কথা কয়। ভৌতিক আৰু সামাজিক দুয়োপ্রকাৰৰ উদ্ভাৱনসমূহৰ প্রসাৰ ঘটোৱাটো হ'ল উন্নয়নৰ বাবে আৱশ্যকীয় চর্ত। সম্প্রদায় এটাৰ প্রয়োজনীয়তা আৰু উদ্ভাৱনৰ জৰিয়তে সম্প্রদায়বোৰৰ প্রয়োজনীয়তা পূৰণৰ মূল্যায়ন কৰাৰ লগে লগে প্রসাৰ প্রক্রিয়াটো আৰম্ভ হয়। গ্রাহকৰ প্রয়োজনীয়তা, উদ্ভাৱন এটাৰ বিষয়ে কি তথ্য জ্ঞাপন কৰা হৈছে আৰু কেনেদৰে তথ্য প্রসাৰ কৰা হৈছে এই আটাইবোৰ কথাই ব্যক্তি তথা সম্প্রদায় এটাৰ কোনো উদ্ভাৱন গ্রহণ অথবা প্রত্যাখ্যানৰ সিদ্ধান্তক প্রভাৱিত কৰে।

উদ্ভাৱনৰ তথ্য প্রসাৰ কৰাৰ প্রক্রিয়াটোত তিনিটা প্রধান ঢাপ আছে।

ক) পুনঃঅভিবিন্যাসকৰণ (Reorientation) ঃ কিছুমান উদ্ভাৱনৰ সৈতে জড়িত মৌলিক সামগ্রী, সেৱা আৰু ধাৰণাৰ আগৰে পৰা অস্তিত্ব থাকে। কিন্তু তেনেবোৰ সামগ্রী, সেৱা আৰু ধাৰণাৰ সৈতে যোগ হোৱা পৰিৱর্তিত উদ্ভাৱনীমূলক উপাদানবোৰৰ বিষয়ে পুনঃঅভিবিন্যাসকৰণৰ প্রয়োজন হয়। নতুনকৈ যোগ হোৱা উপাদানবোৰে আগৰে পৰা অস্তিত্ব থকা সামগ্রী, সেৱা অথবা ধাৰণাবোৰ আংশিকভাৱে অথবা সম্পূর্ণ সলনি কৰিব পাৰে।

খ) পুনঃমনোনিৱেশ (Refocus) ঃ পুনঃঅভিবিন্যাসকৰণৰ বাবে উদ্ভাৱন সন্দর্ভত আকৌ এবাৰ ব্যক্তি অথবা সম্প্রদায়ৰ ওপৰত পুনর্মনোনিৱেশ কৰাতো আৱশ্যক হৈ পৰে। এই পর্যায়টোত ব্যক্তিয়ে উদ্ভাৱনীমূলক সামগ্রী অথবা সেৱাবিধক পূর্বৰে পৰা থকা একেজাতীয় সামগ্রী অথবা সেৱাৰ সৈতে তুলনা কৰি চাই সুবিধা-অসুবিধাবোৰ আলোচনা কৰে। ই উদ্ভাৱনীমূলক সেৱা অথবা সামগ্রীবিধৰ বিষয়ে সিদ্ধান্ত গ্রহণ প্রক্রিয়াটোত সহায় কৰে।

গ) পুনঃবলবৎকৰণ (Reinforce) ঃ তীব্র আৰু বিস্তৃত প্রচাৰ মাধ্যম সংযোগ তথা আন্তঃব্যক্তিক সংযোগৰ সহায়ত উদ্ভাৱনীমূলক ধাৰণাবোৰ পুনঃবলবৎ কৰিব লাগে।

তথ্য প্রসাৰৰ ফলাফল প্রত্যক্ষ অথবা পৰোক্ষ, সুপ্ত অথবা প্রকট, প্রকার্যাত্মক অথবা অকার্যাত্মক হ'ব পাৰে। তথ্য প্রসাৰৰ প্রাৰম্ভিক নমুনাবোৰে কেৱল ভৌতিক বিকাশত মনোনিৱেশ

কৰিছিল। কিন্তু অতি সোনকালে এয়া বুজি পোৱা গৈছিল যে সামগ্ৰী, ধাৰণা আৰু সেৱাবোৰৰ প্ৰসাৰৰ বাবে ভৌতিক বিকাশৰ লগতে সামাজিক বিকাশ সাধন কৰাটোও এক আৱশ্যকীয় বিষয়। ইয়াৰ পাছৰে পৰা তথ্য প্ৰসাৰৰ সিদ্ধান্তবোৰত অৰ্থনৈতিক, প্ৰযুক্তিবিদ্যাগত আৰু সামাজিক অন্তৰায়বোৰ আঁতৰ কৰাৰ উপায় অন্তৰ্ভুক্ত কৰাৰ নিয়ম আৰম্ভ হ'ল। উন্নয়ন সংযোগৰ দৃষ্টিৰে কোনো ধৰণৰ বৈষম্য নৰখাকৈ সমাজৰ সকলো সম্ভাব্য ব্যৱহাৰকাৰীকে উৎসৰ পৰাই সকলোবোৰ উদ্ভাৱনৰ বিষয়ে সজাগ কৰাত আৰু জ্ঞান দিয়াত গুৰুত্ব আৰোপ কৰা হ'ল।

উদ্ভাৱনৰ তথ্য প্ৰসাৰ পদ্ধতিত আধুনিকীকৰণ সংঘটিত কৰিব পৰা উদ্ভাৱনসমূহ গ্ৰহণৰ সন্দৰ্ভত পাঁচটা প্ৰধান দিশৰ প্ৰতি মনোযোগী হোৱাৰ কথা আলোচনা কৰা হয়। উদ্ভাৱনৰ সৈতে জড়িত হৈ থাকিবলগীয়া এই পাঁচটা দিশ হ'ল- সজাগতা, আগ্ৰহ, মূল্যায়ন, আগতীয়া পৰীক্ষা আৰু গ্ৰহণ। সজাগতা সৃষ্টি কৰি গ্ৰাহকক উদ্ভাৱন এটাৰ বিষয়ে জনোৱা হয়, আগ্ৰহ স্তৰটোত গ্ৰাহকে উদ্ভাৱনটোৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন কৰে আৰু অধিক কথা জানিব খোজে, মূল্যায়ন কালত গ্ৰাহকে উদ্ভাৱনটোৱে তেওঁৰ বৰ্তমান আৰু ভৱিষ্যৎ প্ৰয়োজনীয়তা কিমানখিনি পূৰাব পাৰিব সেয়া বিচাৰ কৰি চায়, আগতীয়া পৰীক্ষাৰ সময়ত গ্ৰাহকে উদ্ভাৱনটো এক সীমিত সময়ৰ বাবে ব্যৱহাৰ কৰি চায় আৰু গ্ৰহণ স্তৰত তেওঁ এই উদ্ভাৱনক স্থায়ীভাৱে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লয়।

৩.৩.৩ নিৰ্ভৰশীলতা তত্ত্ব

নিৰ্ভৰশীলতা তত্ত্ব বিকশাই তোলা তাত্ত্বিকসকলৰ মতে উন্নয়নৰ মাত্ৰা পৰ্যাপ্ত নোহোৱাৰ সমস্যাটো কেৱল তৃতীয় বিশ্বৰ দেশবোৰতে নিহিত থকা সমস্যা নহয়। অনুন্নয়ন অথবা অনগ্ৰসৰতাৰ আঁৰত বহুকেইটা বাহ্যিক কাৰক ক্ৰিয়াশীল হৈ থাকে। এসময়ৰ ঔপনিৱেশিক অঞ্চলবোৰক কেনেদৰে বিশ্ব অৰ্থনীতিৰ সৈতে মিলাই সংহত ৰূপ দিব খোজা হৈছে তাৰ ওপৰতো বহু কথা নিৰ্ভৰশীল। নিৰ্ভৰশীলতা তত্ত্বৰ যুক্তি অনুসৰি অনগ্ৰসৰ বিশ্বৰ সমস্যাবোৰৰ মূল কাৰণ ৰাজনৈতিক। তথ্যৰ অভাৱ অনুন্নয়নৰ প্ৰধান কাৰণ নহয়। তত্ত্বটোৱে সামাজিক আৰু অৰ্থনৈতিক কাৰকবোৰক অনগ্ৰসৰতাৰ মূল কাৰণ বুলি জগৰীয়া কৰে। এই অৱস্থা হ'ল পশ্চিমীয়া দেশবোৰত হোৱা উন্নয়নৰ বিৰূপ দিশ। উন্নত দেশবোৰে অৰ্থনৈতিক ক্ষমতা আৰু ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ সুযোগ নিজৰ হাতত কেন্দ্ৰীভূত কৰি ৰাখে। এই কথাই তৃতীয় বিশ্বৰ দেশবোৰত অনগ্ৰসৰতা আৰু নিৰ্ভৰশীলতাৰ দশা বৰ্তাই ৰাখিছে।

দেশবোৰৰ অনগ্ৰসৰতাৰ আন এটা কাৰণ হ'ল আভ্যন্তৰীণ গাঁথনি। নিৰ্ভৰশীলতা তত্ত্বই তথাকথিত উন্নয়নমূলক কাৰ্যসূচীবোৰৰ সমালোচনা কৰি কয় যে এই কাৰ্যসূচীবোৰে অনুন্নত দেশবোৰত থকা অসমতাৰ আভ্যন্তৰীণ সংৰচনাবোৰ শুধৰোৱাৰ উপায় আগবঢ়াব পৰা নাই। তাত্ত্বিকসকলে সামাজিক কাৰকতকৈও ব্যক্তিগত কাৰণ কিছুমানকহে দেশবোৰৰ অনগ্ৰসৰতাৰ কাৰণ হিচাপে বিশ্লেষণ কৰি দেখুৱাইছে। এনে কাৰণ কেইটামান হ'ল- অসম ভূমি বিতৰণ আৰু কৃষকৰ বাবে উপযুক্ত ঋণৰ নাটনি। ইয়াৰ উপৰি দুৰ্বল স্বাস্থ্যসেৱাই দুখীয়া দেশবোৰৰ সামাজিক পৰিস্থিতিৰ সামগ্ৰিক উন্নয়নৰ সম্ভাৱনা সীমাবদ্ধ কৰিছে।

আকৌ, উন্নয়নমূলক কাৰ্যসূচীবোৰে পৃষ্ঠপোষকতা কৰা উদ্ভাৱনবোৰ নগৰ-চহৰত বাস কৰা অৰ্থনৈতিকভাৱে স্বচ্ছল শ্ৰেণীটোৱেহে গ্ৰহণ কৰে। গ্ৰামাঞ্চলত বাস কৰা দুখীয়া শ্ৰেণীটো এনে উদ্ভাৱনৰ সুবিধা গ্ৰহণ কৰাৰ পৰা আঁতৰতে ৰৈ যায়। উদ্ভাৱনবোৰক জনসমাজৰ সৈতে চিনাকি কৰাই দিয়াত গণ মাধ্যমবোৰৰ ভূমিকা নিৰূপণ কৰাৰ সময়ত আধুনিকীকৰণ তত্ত্বই গণ

মাধ্যমবোৰৰ মালিকীস্বত্ব আৰু নিয়ন্ত্রণৰ দিশ দুটাক আওকাণ কৰিছে। উন্নয়নৰ পোষকতা কৰিব বুলি ভবা প্রচাৰ মাধ্যমবোৰ নগৰীয় আৰু ক্ষমতাশালী স্বার্থৰ দ্বাৰা নিয়ন্ত্রিত। এই মাধ্যমবোৰে সামাজিক লক্ষ্য পূৰণ অথবা সমাজৰ দুখীয়া-দুর্বল শ্রেণীটোক সহায় কৰাৰ আগ্রহ হেৰুৱাই পেলাইছে। বর্তমান ই কেৱল মনোৰঞ্জন আৰু অপ্রয়োজনীয় তথ্য প্রচাৰৰ মাধ্যম হৈ পৰিছে। আধুনিকীকৰণ তত্বই গণ মাধ্যমবোৰৰ সংৰচনা আৰু বিষয়বস্তুৰ মাজত থকা সম্পর্কৰ কথা বিবেচনা কৰাটো সম্পূর্ণৰূপে এৰাই চলিছে। লেটিন আমেৰিকাৰ দেশবোৰত আধুনিকীকৰণৰ নামত চলা কার্যসূচীবোৰৰ তেনেই ক্ষুদ্র অংশ এটাইহে উন্নয়নমূলক বিষয়ত আলোকপাত কৰিছিল। এই দেশবোৰতো গণ মাধ্যমবোৰক লাভ অর্জনৰ উদ্দেশ্য আগত ৰাখি ব্যৱসায়িক গোষ্ঠীয়ে নিয়ন্ত্রণ কৰিছিল। সামাজিক পৰিৱর্তন সাধন কৰাটো ইয়াৰ লক্ষ্য নাছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ আধুনিকীকৰণৰ সমর্থক দুগৰাকীৰ নাম লিখক।

প্রশ্ন নং ২ঃ আমেৰিকা যুক্তৰাষ্ট্রত কোন চনত আধুনিকীকৰণ তত্বটোৰ উত্থান ঘটিছিল?

প্রশ্ন নং .৩ঃ অনগ্রসৰতাৰ বাবে আর্থ-সামাজিক কাৰকবোৰক জগৰীয়া কৰা তত্বটোৰ নাম লিখক।

৩.৪ নিদর্শনৰ অর্থ আৰু গুৰুত্ব

১৯২২ চনত জন্মলাভ কৰা থ'মাচ চেমুৱেল ক'ন (Thomas Samuel Kuhn) আছিল এগৰাকী আমেৰিকান পদার্থ বিজ্ঞানী, ইতিহাসবিদ আৰু বিজ্ঞানৰ দার্শনিক। ক'নে নিজে অৱশ্যে সমাজ বিজ্ঞানৰ বাবে নিদর্শনৰ ধাৰণাটো (concept of paradigm) উপযুক্ত বুলি গণ্য কৰা নাছিল। ক'নে নিজৰ গ্রন্থ The Structure of Scientific Revolutions ৰ পাতনিত লিখিছিল যে কেৱল প্রাকৃতিক বিজ্ঞানৰ পৰা সামজিক বিজ্ঞানক পৃথক কৰি দেখুৱাবলৈহে তেওঁ নিদর্শনৰ ধাৰণাটো প্রয়োগ কৰিছে। সমাজ বিজ্ঞানীৰে ভৰি থকা 'পালো এল্ট' চেণ্টাৰ ফৰ স্ক'লার্চ' নামৰ অনুষ্ঠানটোত থকাৰ সময়ত তেওঁ এই গ্রন্থখন ৰচনা কৰিছিল। তেওঁ মন কৰিছিল যে এই সমাজ বিজ্ঞানীসকল কেতিয়াও কোনো তত্ব অথবা ধাৰণাক লৈ একমত নহয়। ক'নে নিজৰ গ্রন্থখনত এই কথাৰ আঁত ধৰি নিজৰ যুক্তি আগবঢ়াইছে যে সমাজ বিজ্ঞানত কোনো নিদর্শন নাই আৰু থাকিব নোৱাৰে। ফ্রান্সৰ সমাজতাত্ত্বিক মাটেই ড'গান (Mattei Dogan)এ 'Paradigms in the (Social Sciences)' শীর্ষক প্রবন্ধত ক'নৰ মৌলিক গৱেষণাটো অধিক বিকশিত কৰি মত ব্যক্ত কৰিছিল যে সমাজ বিজ্ঞানত কোনো নিদর্শন নাথাকে। ইয়াৰ সৈতে জড়িত ধাৰণাবোৰ বহুৰূপী (polysemic) প্রকৃতিৰ। এই ধাৰণাবোৰক লৈ বিদ্বৎসমাজৰ মাজত ইচ্ছাকৃত পাৰস্পৰিক অজ্ঞতা আছে আৰু এই ধাৰণাবোৰক কেন্দ্র কৰি বিভিন্ন চিন্তাধাৰা পুলি-পোখা মেলি বিয়পি পৰিছে। ড'গনে তেওঁৰ লেখনীটোত সমাজ বিজ্ঞান, বিশেষকৈ সমাজতত্ব, ৰাজনীতি বিজ্ঞান আৰু ৰাজনৈতিক নৃতত্ববিজ্ঞানত নিদর্শনৰ অস্তিত্বহীনতাৰ কথা ভালেমান উদাহৰণৰ সহায়ত ব্যাখ্যা কৰি দেখুৱাইছে।

হাণ্ডাই সমাজ বিজ্ঞানৰ পৃষ্ঠভূমিত 'সামাজিক নিদর্শন'ৰ ধাৰণাটোৰ প্রচলন ঘটাইছে। তেওঁ সামাজিক নিদর্শন এটাৰ মৌলিক উপাদানবোৰো চিনাক্ত কৰি উলিয়াইছে। হাণ্ডাই ক'নৰ দৰেই

পৰিৱৰ্তিত নিদৰ্শনৰ সমস্যাবোৰ আলোচনা কৰিছে। এই পৰিৱৰ্তন প্ৰক্ৰিয়াটোৰ জনপ্ৰিয় নাম হ'ল 'আমূল পৰিৱৰ্তন' (paradigm shift)। বিষয়টো আলোচনা কৰাৰ সময়ত হাণ্ডাই আমূল পৰিৱৰ্তন সাধন কৰাত মূখ্য ভূমিকা লোৱা সামাজিক পৰিস্থিতিবোৰত আৰু এই পৰিৱৰ্তনে শৈক্ষিক অনুষ্ঠানবোৰৰ লগতে আন সামাজিক অনুষ্ঠানত কেনে প্ৰভাৱ পেলায় তাৰ ওপৰত আলোকপাত কৰিছে। সামাজিক ক্ষেত্ৰত হোৱা এই সুদূৰপ্ৰসাৰী পৰিৱৰ্তনে ব্যক্তিৰ বাস্তৱ সম্পৰ্কে থকা ধাৰণা সমূলি সলনি কৰিব পাৰে। নিদৰ্শন শব্দটোৰ প্ৰয়োগ ঘটা আন এটা বিষয় হ'ল 'বিশ্ব-অৱলোকন' (Worldview)। সমাজ বিজ্ঞানত এই অভিধাটোৰে অভিজ্ঞতা, বিশ্বাস আৰু প্ৰমূল্যৰ এনে এটা সমষ্টিৰ কথা বৰ্ণনা কৰা হয় যিটোৱে ব্যক্তিক বাস্তৱ সম্পৰ্কে ধাৰণা কৰাৰ আৰু সেই ধাৰণা অনুসৰি উপযুক্ত সঁহাৰি প্ৰদান কৰাৰ সামৰ্থক প্ৰভাৱিত কৰে। প্ৰদত্ত সমাজ এখনে কেনেদৰে বাস্তৱক বুজি উঠি আৰু সংগঠিত কৰি পৰিৱৰ্তনক গ্ৰহণ কৰে সেই কথা বুজাবলৈ সমাজ বিজ্ঞানীসকলে ক'নৈ ব্যৱহাৰ কৰা 'আমূল পৰিৱৰ্তন'ৰ অভিধাটো প্ৰয়োগ কৰিবলৈ লৈছে। এক প্ৰদত্ত সময়ত সমাজ এখনত বহুলভাৱে স্বীকৃত তথা মান্য প্ৰমূল্য অথবা চিন্তা প্ৰণালী এটাৰ কথা বুজাবলৈ 'প্ৰভাৱশালী নিদৰ্শন' বোলা অভিধাটো ব্যৱহাৰ কৰা হয়। সম্প্ৰদায় এটাৰ সাংস্কৃতিক পটভূমি আৰু ঐতিহাসিক মূহুৰ্তৰ সৈতে সংগতি ৰাখি প্ৰভাৱশালী নিদৰ্শনবোৰ গঢ় লৈ উঠে।

৩.৫ নিদৰ্শনৰ প্ৰকাৰ

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় নিদৰ্শন কি আৰু সংযোগ তথা উন্নয়নত ইয়াৰ গুৰুত্ব কি সেই বিষয়ে সাধাৰণ ধাৰণা এটা কৰিব পাৰিছে। মেক্ব্ৰাইডৰ ভাষাত "সংযোগ ক্ষমতাৰ এক আহিলা, এক বৈপ্লৱিক অস্ত্ৰ, এটা ব্যৱসায়িক সামগ্ৰী অথবা শিক্ষাদানৰ এক উপায় হ'ব পাৰে। ইয়াক মুক্তি অথবা দমনৰ উদ্দেশ্য সাধনত ব্যৱহাৰ কৰা হ'ব পাৰে। ই ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সহায় কৰিব পাৰে অথবা মানুহক একেৰূপতা মানি চলাৰ অনুশীলন কৰোৱাব পাৰে।"

তলৰ শিতানত উন্নয়ন নিদৰ্শনৰ দুটা প্ৰধান ৰূপ- প্ৰভাৱশালী নিদৰ্শন আৰু বিকল্প অথবা নব্য নিদৰ্শনৰ সংজ্ঞা আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰা হৈছে।

৩.৫.১ প্ৰভাৱশালী নিদৰ্শন

১৯৬০ৰ দশকত প্ৰভাৱশালী নিদৰ্শনৰ ধাৰণাটো বৌদ্ধিক সংজ্ঞা আৰু উন্নয়ন বিষয়ক আলোচনাবোৰৰ কেন্দ্ৰ হৈ পৰিছিল। ইয়াক ৰাষ্ট্ৰীয় উন্নয়ন কাৰ্যসূচীবোৰৰ দিক্ নিৰ্দেশকাৰী ধাৰণা কৰি লোৱা হৈছিল। কিছুমান ঐতিহাসিক ঘটনাৰ পৃষ্ঠভূমিত উন্নয়নৰ এই ধাৰণাটোৱে গা কৰি উঠিছিল। ইউৰোপ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ঔদ্যোগিক বিপ্লৱ, লেটিন আমেৰিকা-আফ্ৰিকা-এচিয়াৰ ঔপনিৱেশিক অভিজ্ঞতা, উত্তৰ আমেৰিকাত সমাজ বিজ্ঞানৰ বিভিন্ন শাখাৰ অধীনত চলোৱা পৰিমাণগত পৰীক্ষণ অধ্যয়ন আৰু পুঁজিবাদী অৰ্থনৈতিক তথা ৰাজনৈতিক দৰ্শনৰ প্ৰসাৰ আছিল এনে দুটামান ঘটনা। প্ৰাধান্য বিস্তাৰকাৰী এই নিদৰ্শন ধাৰণাৰ সৈতে অগণন অনুমান যোগ হৈছিল আৰু সেইবোৰক সাধাৰণভাৱে বৈধ বুলি গণ্য কৰা হৈছিল। ১৯৭০ৰ দশকলৈকে অন্ততঃ এই অনুমানবোৰৰ বৈধতাক বহুলভাৱে প্ৰশ্ন কৰা হোৱা নাছিল।

এসময়ত সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ ভিত্তিত ৰাষ্ট্ৰীয় উন্নয়নৰ স্তৰ জোখা হৈছিল অথবা এই উৎপাদনক ৰাষ্ট্ৰৰ জনসংখ্যা নাইবা জনমূৰি আয়েৰে হৰণ কৰি উন্নয়নৰ স্তৰ ঠিক কৰা হৈছিল। কিন্তু জনমূৰি আয়ক উন্নয়নৰ সূচ্যাংক বুলি ধৰা কাৰ্যত বৌদ্ধিক মহলৰ একাংশ সন্তুষ্ট নাছিল।

কথাটোত অর্থনীতিৰ বাহিৰৰ ক্ষেত্রবোৰৰ বৌদ্ধিক সমাজ বিশেষভাৱে অসন্তুষ্ট আছিল। তথাপিও উন্নয়নৰ বিকল্প জোখ আৰু সংজ্ঞাৰ সমর্থকৰ সংখ্যা আপেক্ষিকভাৱে যথেষ্ট কম আছিল।

অষ্টাদশ শতিকাৰ শেষৰফালে উন্নয়নৰ এই পুৰণি ধাৰণাটোৰ বিকাশত সহায় কৰা প্রধান শৈক্ষিক তথা ঐতিহাসিক প্রভাৱসমূহ আছিল- ঔদ্যোগিক বিপ্লৱ, বিদেশী ঔপনিৱেশিক নিয়ন্ত্রণ আৰু ঘৰুৱা নগৰীকৰণ প্রক্রিয়াবোৰ। এই সময়ছোৱাত ইউৰোপ আৰু আমেৰিকা যুক্তৰাষ্ট্রত হোৱা দ্রুত অর্থনৈতিক বিকাশ আৰু তাৰপাছত দ্বিতীয় মহাসমৰৰ পৰৱর্তী সময়ছোৱাত ইউৰোপে কৰা অর্থনৈতিক উন্নতি আদিয়ে উন্নয়নৰ এনে ধাৰণা গঢ়াত সহায় কৰিছিল অথবা এই অনুভৱৰ সৃষ্টি কৰিছিল যে ইয়েই উন্নয়নৰ চালিকা শক্তি। ঔদ্যোগিকীকৰণক উন্নয়নৰ প্রধান উপায় বুলি গণ্য কৰা হৈছিল। উন্নয়নৰ গতি লেহেমীয়া হৈ থকা দেশবোৰক ১৯৫০ আৰু ১৯৬০ৰ দশকত প্রায়েই 'অনগ্রসৰ অথবা অনুন্নত' দেশ বুলি কোৱা হৈছিল আৰু উন্নয়ন পৰিকল্পনাকাৰীসকলে এই দেশবোৰক ঔদ্যোগিকীকৰণত আকোঁৱালি লোৱাৰ পৰামর্শ দিছিল।

নিদর্শনৰ পুৰণি ধাৰণাটোৱে ঔদ্যোগিকীকৰণৰ জৰিয়তে হোৱা অর্থনৈতিক বিকাশক উন্নয়নৰ প্রধান উপায় বুলি বিবেচনা কৰিছিল। ঔদ্যোগিকীকৰণক বাস্তৱ ৰূপ দিয়া সাধন দুটা হ'ল প্রযুক্তিবিদ্যা আৰু মূলধন। প্রযুক্তিবিদ্যাই শ্রমিকৰ স্থান লৈছিল। উন্নয়নৰ এই সৰল সংশ্লেষণটো পশ্চিম ইউৰোপ আৰু লেটিন আমেৰিকাত হোৱা ঔদ্যোগিক বিপ্লৱ লৰ্ধ অভিজ্ঞতাৰ ভিত্তিত হয়টো এটা নির্ভুল শিকনি আছিল। কিন্তু এই একেটা আৰ্হিয়েই ভিন্ন সমাজ-সাংস্কৃতিক পৃষ্ঠভূমিত সঠিক আৰু সফলভাৱে প্রযোজ্য হ'ব বুলি ক'ব নোৱাৰি। বিশেষকৈ শ্রমিকৰ কোনো নাটনি নোহোৱা উন্নয়নশীল দেশবোৰৰ ক্ষেত্রত ১৯৫০ৰ দশকত এই আৰ্হিটোক এক সম্ভাৱ্য কাল্পনিক তত্ব বুলি গণ্য কৰা হৈছিল আৰু ইয়াৰ পৰা সুফল আহৰণৰ নামত তত্বটো বহুলভাৱে প্রয়োগ কৰি পৰীক্ষা কৰি চোৱা হৈছিল।

উন্নয়নৰ পথেৰে আগবাঢ়ি যোৱাৰ সময়ত পশ্চিমীয়া দেশবোৰত যি ঘটিছিল সেই একেধৰণৰ কথাই অনা-পশ্চিমীয়া দেশবোৰত ঘটিব বুলি পুর্বানুমান কৰাটো সঠিক নাছিল। ইউৰোপীয় দেশবোৰে প্রায়েই নিজৰ ঔপনিৱেশিক চিন্তাধাৰাৰে ঊপনিৱেশবোৰত শোষণ চলাই নিজ দেশৰ আর্থ-সামাজিক ৰূপান্তৰৰ বাবে প্রয়োজনীয় সমলবোৰ গোটাই লৈছিল। কিন্তু সমসাময়িক লেটিন আমেৰিকান, আফ্রিকান আৰু এচিয়ান দেশবোৰৰ নিজাকৈ কোনো ঊপনিৱেশ নাছিল (অৱশ্যে এনে দেশবোৰৰ হয়তো নিজৰ চাৰিসীমাৰ ভিতৰতে আন কোনো অঞ্চলৰ বাবে অর্থনৈতিক ঊপনিৱেশ ৰূপে কাম কৰা এটা নাইবা দুটামান দূর্গম অঞ্চল আছিল)।

<u>বিপুল পৰিমাণৰ মুলধনৰ প্রয়োজন হোৱা প্রযুক্তি (Capital-intensive Technology)</u> ঃ অধিক উন্নত দেশবোৰৰ হাতত এনে প্রযুক্তি আছিল। কম উন্নত দেশবোৰৰ হাতত থকা প্রযুক্তিৰ পৰিমাণ আছিল নিচেই সামান্য। এই সময়ছোৱাৰ উন্নয়ন কার্যসূচীবোৰৰ প্রয়োগ দর্শন আছিল সৰল ঃ কম উন্নত দেশবোৰত এই প্রযুক্তিবোৰৰ প্রচলন ঘটোৱা আৰু এনেকৈয়ে এই দেশবোৰ আপেক্ষিকভাৱে উন্নততৰ কৰি তোলা। ধৰি লোৱা হৈছিল যে বাহ্যিকভাৱে প্রচলন আৰম্ভ কৰা ভৌতিক প্রযুক্তিবোৰৰ লগে লগে উপযুক্ত সামাজিক প্রযুক্তিৰো উত্থান ঘটিব। কিন্তু যেতিয়া কম উন্নত দেশবোৰত ভবা ধৰণে প্রয়োজনীয় সামাজিক সংৰচনা গঢ় লৈ নুঠিল তেতিয়া 'পৰম্পৰাগত' চিন্তাধাৰা, বিশ্বাস আৰু সামাজিক প্রমূল্যসমূহক জগৰীয়া কৰা হ'ল। দ্রুত পৰিৱর্তন সাধন কৰিব খোজা ক্ষেত্রবোৰত থকা অন্তৰায় সৃষ্টিকাৰী গাইগুটীয়া চলকবোৰ চিনাক্ত কৰি উলিয়াবলৈ সমাজ বিজ্ঞানৰ গৱেষণা আৰম্ভ হ'ল। বিভিন্ন চৰকাৰী অভিকৰণৰ প্রধান কাম হৈ পৰিল পৰম্পৰাগত পদ্ধতিৰে চলা ব্যক্তিৰ আধুনিকীকৰণ ঘটোৱা।

এই কামত গণ মাধ্যমবোৰক প্ৰচুৰভাৱে ব্যৱহাৰ কৰাৰ প্ৰথা আৰম্ভ হ'ল। উচ্চ-মূলধনৰ আৱশ্যকতা থকা প্ৰযুক্তিৰ বাবে মূলধনৰো প্ৰয়োজন হ'ল। এই মূলধন দেশীয় চৰকাৰবোৰৰ পুঁজিৰ পৰা, স্থানীয় উদ্যমীসকলে লোৱা আন্তৰ্জাতিক ঋণৰ সহায়েৰে আৰু বহুদেশীয় ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ কাৰ্যকলাপৰ জৰিয়তে (সাধাৰণতে ঔদ্যোগিকভাৱে উন্নত দেশৰ মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণ থকা) জমা কৰাৰ চেষ্টা চলিল। লাহে লাহে নতুনকৈ স্বাধীনতা লাভ কৰা দেশবোৰে বুজি পালে যে ৰাজনৈতিক স্বাধীনতা আৰু অৰ্থনৈতিক স্বাধীনতা দুটা সম্পূৰ্ণ পৃথক বস্তু। ঊপনিৱেশবাদ শেষ হোৱাটোৱে এয়া নুবুজাবও পাৰে যে নতুনকৈ স্বাধীন হোৱা দেশবোৰৰ ঔদ্যোগিক দিশেৰে উন্নত দেশবোৰৰ ওপৰত থকা বিত্তীয় নিৰ্ভৰশীলতাও নোহোৱা হ'ল। প্ৰায়েই দেখা গৈছিল যে নতুন দেশবোৰৰ এই নিৰ্ভৰশীলতাৰ মাত্ৰা পূৰ্বতকৈ বাঢ়িহে গৈছে।

অৰ্থনৈতিক বিকাশ (Economic Growth) ঃ এই চিন্তাৰ দ্বাৰা এয়া অনুমান কৰি লোৱা হয় যে 'ব্যক্তি' (প্ৰকৃত অৰ্থত সকলো ব্যক্তি) হ'ল অৰ্থনৈতিক, তেওঁ যিকোনো আৰ্থিক ভাট্টাৰ প্ৰতি যুক্তিসংগত সঁহাৰি জনাব আৰু ব্যক্তিৰ লাভ অৰ্জনৰ অভিপ্ৰায়ে উন্নয়নক বাস্তৱ কৰি তুলিবলৈ প্ৰয়োজন হোৱা সুদূৰপ্ৰসাৰী তথা বিস্তৃত আচৰণ পৰিৱৰ্তন সাধন কৰিব। অৰ্থনীতিবিদসকলে উন্নয়নমূলক কাৰ্যসূচীবোৰ পৰিচালনাকাৰীৰ আসনখন নিগাজী কৰি লৈছিল। তেওঁলোকে দেশবোৰ অনুন্নত হৈ ৰোৱাৰ কাৰণ হিচাপে বেচিভাগ সময়তে অৰ্থনৈতিক কাৰকবোৰৰ বিষয়ে আলোচনা কৰিছিল। ফলত, আগৰেপৰাই কেৱল অৰ্থনৈতিক প্ৰকৃতিৰ বুলি ধৰি লোৱা সমস্যাবোৰ সমাধান কৰিবলৈকো কেৱল অৰ্থনীতিবিদসকলকহে দায়িত্ব দিয়া হৈছিল। উন্নয়নৰ কেন্দ্ৰীয় অৰ্থনৈতিক পৰিকল্পনাক দেশ এখনে উন্নয়ন লক্ষ্য স্থিৰ কৰাৰ সময়ত মানি চলিবলগীয়া বৈধ তথা যুক্তিসংগত উপায় বুলি গণ্য কৰা হৈছিল। ১৯৫০ আৰু ৬০ৰ দশকত এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ প্ৰায় সকলোবোৰ দেশেই একো একোখন ৰাষ্ট্ৰীয় উন্নয়ন আয়োগ গঠন কৰি লৈছিল। এনে আয়োগৰ সদস্য পদসমূহত প্ৰায়ভাগ সময়তে কেৱল বেংকাৰ আৰু অৰ্থনীতিবিদসকলক নিযুক্তি দিয়া হৈছিল।

ৰাষ্ট্ৰীয় চৰকাৰবোৰৰ উন্নয়নমূলক কাম-কাজবোৰক দিক্ নিৰ্দেশনা দিবলৈ পঞ্চবাৰ্ষিক উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল। অনুৰোধ সাপেক্ষে আন্তৰ্জাতিক অভিকৰণবোৰে ৰাষ্ট্ৰীয় পৰিকল্পনাকাৰীসকলক কাৰিকৰী সাহায্য প্ৰদান কৰিছিল। হাৰ্ভাৰ্ড ডেভেলপমেণ্ট এজভাইজ'ৰী গ্ৰুপ আৰু বিশ্ব বেংকৰ দৰে সংস্থাবোৰ অনবৰতে সহায়ৰ বাবে সাজু হৈ আছিল।

কিন্তু অৰ্থনৈতিক বিকাশত অত্যধিক মনোনিৱেশ কৰাৰ ফলত উন্নয়ন সন্দৰ্ভত এক 'মুঠ পক্ষপাতিত্ব' (aggregate bias)মূলক মনোভাৱে গা কৰি উঠিছিল। ভবা হৈছিল যে ৰাষ্ট্ৰীয় চৰকাৰবোৰেহে নিজ নিজ দেশৰ বাবে উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত তথা ৰূপায়ণ কৰা উচিত। এনে উন্নয়নৰ ফলত এসময়ত স্থানীয় সম্প্ৰদায়বোৰলৈ পৰিৱৰ্তন আহিব বুলি ধৰা হৈছিল যদিও উচ্চ স্তৰৰ পৰা যোগান ধৰা তথ্যৰ সুবিধা আৰু সমলৰ ওপৰত এনে উন্নয়ন নিৰ্ভৰশীল হ'ব বুলিও কোৱা হৈছিল। স্ব-নিয়ন্ত্ৰিত আত্ম-উন্নয়নক ব্যতিক্ৰম অথবা অসম্ভৱ বুলি বিবেচনা কৰা হৈছিল।

যি উপায়েই অৱলম্বন কৰা নহওক কিয় উন্নয়ন আছিল এক মন্থৰ প্ৰক্ৰিয়া। আকৌ, বিকাশক অসীম বুলিও ভবা হৈছিল। যিসকল পৰ্যবেক্ষকে কয়লা অথবা খাৰুৱা তেল অথবা অন্য প্ৰকৃতিক সম্পদবোৰৰ চলিত যোগান ভৱিষ্যৎ বছৰত একে হৈ নাথাকিব অথবা এই সম্পদবোৰ একেবাৰে নোহোৱা হ'ব বুলি মত প্ৰকাশ কৰিছিল তেওঁলোকক বিপদবাদী (Alarmist) বুলি অভিহিত কৰা হৈছিল আৰু কোৱা হৈছিল যে নতুন প্ৰযুক্তিবোৰ সম্পদৰ ভৱিষ্যৎ নাটনিৰ ক্ষতি পূৰণ

কৰিব পৰাকৈ উদ্ভাৱন কৰা হ'ব। অধিক আৰু বৃহত্তৰ প্ৰযুক্তিগত উদ্ভাৱনক উত্তম বুলি ভবা হৈছিল। ১৯৭২ চনত মিড'জ আৰু অন্যসকলে প্ৰকাশ কৰা *The Limits of Growth* নামৰ গ্ৰন্থখনে অসীম বিকাশৰ পোষকতা কৰা অত্যুৎসাহীসকলৰ চিন্তাধাৰাক প্ৰত্যাহ্বান জনাইছিল আৰু বিকাশ-বিহীন (no-growth) উন্নয়ন নীতিৰ সমৰ্থকসকলৰ চিন্তাক এক নতুন কণ্ঠ দিছিল। উন্নয়নৰ প্ৰধান সূচ্যাংক হিচাপে জনমূৰি আয়ক পৰিমাপকৰূপে ব্যৱহাৰ কৰাৰ বিৰোধিতা কৰি ইয়াৰ জোখ-মাখৰ ক্ষেত্ৰত থকা সহজে প্ৰতাৰণা কৰিব পৰা সৰলতাৰ দিশটোলৈ আঙুলিয়াই দেখুওৱা হৈছিল। ১৯৬০ৰ দশকৰ শেষৰ ফালেহে 'জীৱনৰ গুণগত মান' (quality of life) বোলা অভিব্যক্তিটোৰ প্ৰসাৰ ঘটিছিল। যদি উন্নয়নৰ কিছুমান মাত্ৰা জুখিব আৰু সংখ্যাত সেইবোৰৰ পৰিমাণ বাহিৰ কৰিব পৰা নাযায়, তেন্তে তেনে উন্নয়ন সম্ভৱতঃ সংঘটিত হোৱা নাই বুলি ধৰি লোৱাটোক যুক্তিসংগত বুলি ভবা হৈছিল। যদি উন্নয়ন ঘটিছেও তেন্তে তাক গুৰুত্বপূৰ্ণ বুলি ধৰা হোৱা নাছিল। ১৯৭২ চনত মানৱ পৰিৱেশ শীৰ্ষক ষ্ট'কহ'ম সন্মিলন অনুষ্ঠিত হোৱাৰ আগলৈকে উন্নয়ন বিষয়ক চিন্তা-চৰ্চাবোৰ এনেকুৱাই আছিল।

ইয়াৰ উপৰি উন্নয়নৰ পৰিমাণগতকৰণ প্ৰক্ৰিয়াটোত এটা তেনেই হ্ৰস্বম্যাদী দৃষ্টিভংগী আৰোপ কৰা হৈছিল। ই কেৱল ১০ নাইবা ২০ নাইবা সৰ্বাধিক ২৫ বছৰ জোৰা কাল এটাহে সামৰি লৈছিল। উন্নয়নক আজি সংঘটিত হোৱা পৰিঘটনা বুলি ধৰা হৈছিল। কিন্তু এই কথা পাহৰি যোৱাটো উচিত নাছিল যে ভাৰত, চীন, পাৰস্য আৰু ইজিপ্ত পৃথিৱীৰ একো একোটা প্ৰাচীনতম সভ্যতাৰ কেন্দ্ৰ আৰু এই সভ্যতাবোৰৰ সমৃদ্ধ সংস্কৃতিৰ ভেটিতহে সমসাময়িক পাশ্চাত্য সংস্কৃতি গঢ় লৈ উঠিছে। এই পুৰণি সংস্কৃতিবোৰ বৰ্তমান দুখীয়া (ধনৰ দিশেৰে)। সেয়েহে এই সংস্কৃতিবোৰে পৰিয়ালকেন্দ্ৰিক জীৱনত একোটা উষ্ম ঘনিষ্ঠতা প্ৰদৰ্শন কৰা সত্বেও আৰু কলাসুলভ দিশত আগবঢ়া বিজয়ৰ গৰাকী হৈও উন্নয়নৰ দিশেৰে পিছপৰি ৰৈছিল। কিন্তু উল্লেখ কৰা দিশবোৰ কোনো ডলাৰ নাইবা চেণ্টৰ হিচাবত জুখিব পৰা নাযায়।

উত্তৰ আমেৰিকাত চলা সমাজ বিজ্ঞানভিত্তিক পৰীক্ষা-নিৰীক্ষাৰ এক উপজ আৰু সম্প্ৰসাৰণ আছিল উন্নয়নৰ পৰিমাণগত জোখ-মাখ। ই উন্নয়ন কি আৰু কোনবোৰ কথাক উন্নয়ন বুলি ধৰিব নোৱাৰি তাৰ সংজ্ঞা নিৰূপণত সহায় কৰিছিল। পাৰ্থিৱ কল্যাণ জুখিব পৰা যায়। কিন্তু মৰ্যাদা, ন্যায় আৰু স্বাধীনতাৰ দৰে বিষয়বোৰ ডলাৰ-চেণ্টৰ তুলাচনীৰে জুখিব নোৱাৰি। এইবোৰ কাৰণতে উন্নয়নৰ অৰ্থই এক ধৰণৰ মানৱ মৰ্যাদা হানিকাৰক প্ৰকৃতি ধাৰণ কৰিছিল। অৰ্থনৈতিক বিকাশ অব্যাহত ৰখাৰ বাবে ৰাজনৈতিক সুস্থিৰতা আৰু একতাক প্ৰয়োজনীয় বুলি ভবা হৈছিল। ইয়াৰ ফলশ্ৰুতিত অধিনায়কত্ববাদী নেতৃত্ব ক্ৰমাৎ বৃদ্ধি পাইছিল। ই প্ৰায়েই সামৰিক একনায়কত্ববাদত পৰিণত হৈছিল। চৰকাৰক সুস্থিৰ কৰি ৰখাৰ নামত প্ৰায়েই ব্যক্তিৰ স্বাধীনতাক পদদলিত কৰা হৈছিল।

উন্নয়নৰ যিবোৰ দিশক পৰিমাণগত ৰূপ দিয়া হৈছিল সেইবোৰ সাধাৰণতে বিকাশমূলক দিশহে আছিল। আগতেই কোৱা হৈছে যে এই দিশবোৰক সৰ্বমুঠ অথবা জনমূৰি হিচাবত জুখি উলিওৱা হৈছিল। ১৯৫০ আৰু ১৯৬০ৰ দশকৰ উন্নয়ন নীতিবোৰে উন্নয়নৰ সা-সুবিধাসমূহৰ সমতাপূৰ্ণ বিতৰণত কোনো গুৰুত্ব আৰোপ কৰা নাছিল।

১৯৭০ৰ দশকৰ পৰাহে উন্নয়ন পৰিমাণগতকৰণ প্ৰক্ৰিয়াই উন্নয়নৰ সা-সুবিধাৰ সম-বিতৰণৰ জোখ-মাখবোৰত মনোনিৰেশ কৰিবলৈ লৈছিল।

৩.৫.২ প্ৰভাৱশালী নিদৰ্শনৰ সমালোচনা

চমুকৈ, নিদৰ্শনৰ পুৰণি তত্ত্বটোৱে দৰিদ্ৰতাক অনুন্নয়নৰ সমতুল্য বুলি গণ্য কৰিছিল। এই মত অনুসৰি কম উন্নত দেশবোৰে উন্নত দেশবোৰক নিদৰ্শন হিচাপে লৈ কাম কৰাটোৱেই হ'ল উন্নয়ন সাধন কৰাৰ প্ৰধান উপায়। এই সময়ছোৱাত ঔদ্যোগিকভাৱে আগবঢ়া দেশবোৰে উন্নয়ন নামৰ খেলটোৰ 'নীতি-নিয়ম'বোৰ নিয়ন্ত্ৰণ কৰিছিল আৰু উন্নয়নৰ বিষয়ে লিখা-মেলা কৰা পণ্ডিতসকলৰ অধিকাংশই পাশ্চাত্যৰ আছিল। নিউয়'ৰ্ক, ৱাশ্বিংটন আৰু লণ্ডনে প্ৰধানকৈ দেনা-পাওনাৰ জমা-খৰছ তথা মুদ্ৰা বিনিময়ৰ হাৰ নিৰ্ধাৰণ কৰিছিল। ধনী দেশবোৰে পৃষ্ঠপোষকতা কৰা আন্তৰ্জাতিক কাৰিকৰী সাহায্য প্ৰদান কাৰ্যসূচীবোৰে দুৰ্ভাগ্যজনকভাৱে নিৰ্ভৰশীল ৰাষ্ট্ৰবোৰক দাতা ৰাষ্ট্ৰবোৰৰ ওপৰত অধিক নিৰ্ভৰশীলহে কৰি তুলিছিল। এই কথাবোৰ ক্ৰমে ক্ৰমে পোহৰলৈ আহিছিল আৰু বৌদ্ধিক মহলৰ চিন্তা-চৰ্চাক প্ৰভাৱিত কৰিবলৈ যথেষ্ট সময় লৈছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আধুনিকীকৰণ সম্পৰ্কীয় তাত্ত্বিক ৰচনাৰাজিয়ে সাধাৰণতে এটা 'ব্যক্তিগত দোষাৰোপ' (individual-blame)ৰ যুক্তি অনুসৰণ কৰা দেখা গৈছিল। সাংস্কৃতিক দিশেৰে এই ৰচনাবোৰ যথেষ্ট সংকীৰ্ণ আৰু নৃজাতিকেন্দ্ৰিক (ethnocentric) আছিল। এনে লেখক দুগৰাকীমান হ'ল ৰাল্ট ৰ'ষ্ট' (১৯৬১), এভেৰেট হেগেন (১৯৬২) আৰু ডেভিদ মেক্‌ক্লিলেণ্ড (১৯৬১)। এওঁলোক আটায়ে মেক্স ৱেবাৰৰ প্ৰাৰম্ভিক ৰচনাবোৰৰ দ্বাৰা প্ৰভাৱিত হৈছিল। এই তত্ত্বৰ অগ্ৰণী তাত্ত্বিকসকল আছিল পশ্চিমীয়া দেশবোৰৰ আৰু তেওঁলোকৰ ধাৰণাবোৰক সমৰ্থন কৰিব পৰা ডেটা ভাণ্ডাৰটো আছিল যথেষ্ট সীমিত। ১৯৭৩ চনত ফ'ৰ্টেজে এই পশ্চিমীয়া আৰু ব্যক্তিক দোষাৰোপকাৰী পক্ষপাতমূলক দৃষ্টিভংগীক মুকলিকৈ সমালোচনা কৰিছিল। তেওঁ লিখিছিল, "মই ভাবো, এই লেখনীবোৰে অনুন্নত দেশৰ আধুনিক মানুহৰ বৈশিষ্ট্য নিৰূপণত এক গভীৰ নৃজাতিকেন্দ্ৰিক মনোভাৱ প্ৰদৰ্শন কৰিছে।"

গৱেষকৰ নিজস্ব ভাৱমূৰ্তি আৰু প্ৰমূল্যৰ সৈতে ওপৰত আলোচনা কৰা বৈশিষ্ট্য নিৰূপণৰ দিশটোৰ সম্পৰ্ক আছে। ব্যক্তিয়ে সাদৃশ্য বিচাৰি পোৱা কথাৰহে ইতিবাচক বৰ্ণনা আগবঢ়াব পাৰে। " বহুতো অৰ্থনীতিবিদে জোৰ দি কয় যে তেওঁলোকৰ অধ্যয়নৰ বিষয়বস্তুত তত্ত্বৰ এটা সাৰ্বজনীনভাৱে বৈধ ৰূপ নিহিত আছে। এই ৰূপটো দুয়োধৰণৰ দেশৰ ক্ষেত্ৰতে প্ৰযোজ্য। বাকপটুতাৰ অধিকাৰী কোনোবাই সুধিব পাৰে 'যদি আদাম স্মিথ চীনা অথবা শিখ অৰ্থনীতিবিদ হ'লহেঁতেন তেন্তে অৰ্থনৈতিক তত্ত্ববোৰ কিমান বেলেগ হ'লহেঁতেন?' আন সকলোবোৰ সমাজ বিজ্ঞানীৰ তুলনাত অৰ্থনৈতিক তাত্ত্বিকসকলে কোনো ধাৰণাক লৈ এক সাধাৰণ প্ৰস্তাৱত উপনীত হোৱাৰ ক্ষেত্ৰত সদায়েই আগত আৰু এনে তত্ত্বক তেওঁলোকে প্ৰয়েই সকলো সময়তে, সকলো স্থানতে আৰু সকলো সংস্কৃতিতে খাপ খোৱা বুলিও সমৰ্থন কৰি আহিছে।" (মিৰ্ডেল, ১৯৬৪, পৃ. ১৬)

১৯৫০ আৰু ৬০ৰ দশকত উন্নয়নৰ পশ্চিমীয়া আৰ্হিটো সৰ্বাধিক প্ৰভাৱশালী আছিল। ৰোজাৰ্চে ইয়াক উন্নয়নৰ 'প্ৰভাৱশালী নিদৰ্শন' নাম দিছিল। কাৰণ ই উন্নয়নৰ ক্ষেত্ৰখনত আধিপত্য বিস্তাৰ কৰিছিল। এই আৰ্হিটোৱে ক্ৰমবৰ্দ্ধমান উৎপাদনশীলতা, অৰ্থনৈতিক বিকাশ আৰু ঔদ্যোগিকীকৰণৰ মাধ্যমেৰে আধুনিকীকৰণ অথবা উন্নয়ন সাধন কৰিব পাৰি বুলি মত আগবঢ়াইছিল। সৰ্বমুঠ ৰাষ্ট্ৰীয় উৎপাদনক মুঠ অথবা জনমূৰি আয়ৰ হিচাপত উন্নয়ন জোখা হৈছিল। ইয়াৰ লগতে প্ৰযুক্তিগত উদ্ভাৱন আৰু অগ্ৰগতিক আকোঁৱালি লৈও উন্নয়ন সম্ভৱ কৰাৰ প্ৰয়াস চলোৱা হৈছিল। এখন নিশ্চল, কৃষিজীৱি, আদিম, অনমনীয় প্ৰকৃতিৰ সমাজক এখন গতিশীল, ঔদ্যোগিক, নগৰীকৃত আৰু সামাজিকভাৱে গতিশীল সমাজলৈ সলনি

কৰাটোৱেই আছিল উন্নয়নৰ লক্ষ্য।

উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শনৰ দুগৰাকী প্ৰধান সমৰ্থক আছিল লেৰ্নাৰ (১৯৫৮) আৰু শ্ৰাম (১৯৬২)। প্ৰযুক্তিবিদ্যাগত উন্নয়নৰ বাবে সংযোগৰ ভূমিকা চিনাক্তকৰণত দুয়োগৰাকীয়ে অবিস্মৰণীয় অৱদান আগবঢ়াই গৈছে। উন্নয়ন সমৰ্থনকাৰী সম্প্ৰদায়ে এই যুক্তি আগবঢ়ায় যে উন্নয়নশীল দেশবোৰত থকা অনগ্ৰসৰতাৰ মূল কাৰণবোৰ বাহ্যিক নহয়, এই কাৰণবোৰ দেশখনৰ ভিতৰতে, দেশৰ নাগৰিকৰ জীৱনতে আৰু সামাজিক সংৰচনাতে নিহিত থাকে। লেৰ্নাৰ আৰু শ্ৰামৰ মতে পৰিৱৰ্তন তথা আধুনিকীকৰণ প্ৰতিৰোধ কৰিব খোজা ব্যক্তিয়েই হ'ল উন্নয়নৰ প্ৰধান অন্তৰায়। আনহাতে ৰোজাৰ্চ, বোৰ্ডেনেভ আৰু বেল্ট্ৰান (১৯৭৬)ৰ মতে চৰকাৰী আমোলাতন্ত্ৰ, ভূমি ব্যৱহাৰৰ ম্যাদ বিষয়ক অত্যন্ত কঠোৰ ব্যৱস্থা, জাতিভেদ, শোষণ কৰাৰ সুবিধা আদিৰ দৰে সামাজিক সংৰচনামূলক প্ৰতিবন্ধকবোৰহে উন্নয়নৰ প্ৰধান বাধা।

লেৰ্নাৰৰ যুক্তি অনুসৰি ব্যক্তিক যদি অনুন্নয়নৰ প্ৰধান কাৰণ হিচাপে চিনাক্ত কৰা হয়, তেন্তে আমি এয়াও মনত ৰাখিব লাগিব যে ব্যক্তিয়েই সামাজিক পৰিৱৰ্তনৰো আদি বিন্দু। সেযেহে, ব্যক্তিৰ পৰম্পৰাগত প্ৰমূল্যবোৰৰ আধুনিকীকৰণ ঘটোৱাক অগ্ৰাধিকাৰ দিয়া উচিত। ৰোজাৰ্চৰ মতে অনুন্নয়নৰ প্ৰধান কাৰণ বুলি চিনাক্ত কৰাৰ পাছতো সামাজিক সংৰচনা সলনি কৰাৰ বাবে কোনো প্ৰয়াস চলা নাই। গণ মাধ্যমবোৰক পৰিৱৰ্তনৰ বাহক হিচাপে ব্যৱহাৰ কৰা হৈছিল যদিও প্ৰভাৱশালী নিদৰ্শন তত্ত্বই সমল সমৃদ্ধ উন্নয়নশীল দেশ আৰু কম সমলৰ গৰাকী অনুন্নত দেশৰ মাজত থকা পাৰ্থক্য নিৰূপণ কৰাত ব্যৰ্থতা প্ৰদৰ্শন কৰিছে। এই দুয়ো ধৰণৰ উন্নয়নশীল দেশতেই সৰ্বোত্তম উন্নয়ন সাধন কৰিবলৈ সম্পূৰ্ণ পৃথক প্ৰকৃতিৰ উন্নয়নমূলক পৰিকল্পনাৰ প্ৰয়োজন।

উন্নয়ন আৰু সমাজ-ৰাজনৈতিক পৰিৱৰ্তনত লেৰ্নাৰ, শ্ৰাম আৰু ৰোজাৰ্চে গণ মাধ্যমবোৰৰ ভূমিকাক প্ৰাধান্য দিছে। লেৰ্নাৰ (১৯৫৮)এ উন্নয়নৰ চাৰিটা সূচকাংক চিনাক্ত কৰিছে- ঔদ্যোগিকীকৰণ, সাক্ষৰতা, প্ৰচাৰ মাধ্যমবোৰৰ সৈতে পৰিচিতি আৰু উন্নয়নমূলক কাম-কাজত অংশগ্ৰহণ। তেওঁৰ মতে প্ৰচাৰ মাধ্যমবোৰৰ সৈতে পৰিচিতি, ৰাজনৈতিক অংশগ্ৰহণ আৰু মনোজাগতিক সহমৰ্মিতাৰ বিকাশ ঘটোৱাটো উন্নয়নৰ বাবে আৱশ্যকীয়। আধুনিক সমাজ হ'ল অংশগ্ৰহণকাৰী সমাজ আৰু ই সহমতৰ দ্বাৰা কাম কৰে।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শন অনুসৰি সংযোগ হ'ল এটা একমুখী প্ৰৱাহ। ই ওপৰৰ পৰা তললৈ গতি কৰা এটা উলম্ব সোঁত। কৰ্তৃপক্ষৰ পৰা সাধাৰণ ব্যক্তিলৈ তথ্যৰ প্ৰৱাহ ঘটে। নাগৰিকক উন্নয়নৰ বাবে একত্ৰ কৰিবলৈ গণ মাধ্যমৰ ছেনেলবোৰ ব্যৱহাৰ কৰা হয়। কিন্তু ইয়াত সাধাৰণ ব্যক্তিয়ে সামাজিক পৰিৱৰ্তন গ্ৰহণ কৰাত এক নিষ্ক্ৰিয় ভূমিকাহে পালন কৰে।

৩.৫.৩ বিকল্প নিদৰ্শন

১৯৭০ৰ দশকত বিকল্প অথবা নব্য নিদৰ্শনৰ ধাৰণাটোৰ উত্থান ঘটিছিল। ইয়াক অতীতত বিকশিত হোৱা উন্নয়নৰ আটাইবোৰ আৰ্হিৰ প্ৰতিক্ৰিয়া বুলি গণ্য কৰা হয়। এই আৰ্হিটোৱে আনবোৰ আৰ্হিত থকা বিভিন্ন গুৰুত্বপূৰ্ণ দিশক একত্ৰিত কৰি উপস্থাপন কৰাৰ প্ৰয়াস কৰে। উন্নয়ন তাত্ত্বিক আৰু অনুশীলনকাৰীসকলে আগতে গুৰুত্ব আৰোপ নকৰা ভালেমান নতুন মাত্ৰা উন্নয়নৰ এই আৰ্হিটোত যোগ দিছে।

ৰোজাৰ্চ (১৯৭৬)এ আগবঢ়োৱা যুক্তি অনুসৰি এই আৰ্হিটোক এটা অতি-আৰ্হি (meta-

model) বুলি ক'ব পাৰি। ইয়াত উন্নয়নৰ বহুতো বিকল্প পথৰ উল্লেখ আছে। এই বিকল্প আৰ্হিবোৰক একত্ৰ কৰি ৰখা কেন্দ্ৰীয় মাত্ৰাটো হ'ল উন্নয়নত ব্যক্তিৰ অংশগ্ৰহণ। এই পন্থাটোৱে ইতিপূৰ্বে বিকাশ লাভ কৰা উন্নয়নৰ সৈতে জড়িত বিভিন্ন ধাৰণাৰ সমষ্টি এটাক সংহত ৰূপ দিয়াৰ প্ৰয়াস কৰে। এনে ধাৰণা দুটামান হ'ল জনপ্ৰিয় অংশগ্ৰহণ, তৃণমূল পৰ্যায়ৰ উন্নয়ন, সংহত গ্ৰাম্য উন্নয়ন, উপযুক্ত প্ৰযুক্তিৰ ব্যৱহাৰ, মৌলিক প্ৰয়োজনীয়তা পূৰণ, স্থানীয় সমলৰ উৎপাদনশীল ব্যৱহাৰ, পাৰিপাৰ্শ্বিক প্ৰণালীৰ সমতা বৰ্তাই ৰখা, স্থানীয় বাসিন্দাই নিজে উন্নয়নৰ সমস্যাসমূহ সংজ্ঞাৱদ্ধ কৰা আৰু সংস্কৃতিক উন্নয়ন সম্ভৱ কৰি তোলা মধ্যস্থতাকাৰী শক্তিত পৰিণত কৰা ইত্যাদি। এই আৰ্হিটোত সামাজিক গোট, গ্ৰাম্য আৰু নগৰীয়া এলেকা, বিভিন্ন অঞ্চল তথা লিংগৰ মাজত আত্মনিৰ্ভৰশীলতা, আত্ম-উন্নয়ন আৰু সমলৰ পুনঃবিতৰণৰ দৰে দিশবোৰত যথেষ্ট গুৰুত্ব দিয়ে।

প্ৰথমে সংযোগৰ ভূমিকা কেৱল তথ্য অৱগত কৰোৱা আৰু মানুহক প্ৰভাৱিত কৰা বুলি ধৰি লোৱা হৈছিল। কিন্তু নতুন আৰ্হিটোত এই ভূমিকাৰ সংশোধন ঘটাই ইয়াক তথ্যৰ সমতাপূৰ্ণ বিনিময়ৰ যোগেদি সম্পন্ন কৰা সামাজিক আন্তঃক্ৰিয়াৰ এক প্ৰক্ৰিয়া বুলি গণ্য কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। এনে আন্তঃক্ৰিয়াই সমাজত পৰিৱৰ্তন সাধন কৰিব পাৰে। উন্নয়নৰ প্ৰভাৱশালী নিদৰ্শনে আগবঢ়োৱা উন্নয়নৰ সমগ্ৰ দৰ্শনটো ব্যৰ্থ হোৱাৰ পাছত নতুন আৰ্হিটোত ব্যক্তিৰ অংশগ্ৰহণৰ দিশটো সংযোজিত কৰা হৈছিল।

১৯৭৮ চনত ইউনেস্ক'ই উন্নয়নৰ বিকল্প অথবা নতুন নিদৰ্শনটোৰ বাবে কেইটামান সংযোগ প্ৰয়োজনীয়তা চিনাক্ত কৰি উলিয়াইছিল। সেইবোৰ হ'ল ভিন্ন মতাদৰ্শ আৰু অভিজ্ঞতা প্ৰতিফলিত কৰা মুকলি আলাপ-আলোচনা আৰু সংযোগৰ বহুমুখী প্ৰৱাহ। এনে বহুমুখী প্ৰৱাহ উৰ্দ্ধ-নিম্নগামী, আনুভূমিক আৰু নিম্ন-উৰ্দ্ধগামী প্ৰকৃতিৰ হ'ব পাৰে। সংযোগৰ আনুভূমিক প্ৰৱাহ সমাজত ব্যক্তিৰ পৰা ব্যক্তিলৈ, গাওঁৰ পৰা গাওঁলৈ আৰু গ্ৰামাঞ্চলৰ পৰা নগৰ অঞ্চললৈ ঘটিব পাৰে। নিম্ন-উৰ্দ্ধগামী প্ৰৱাহ ৰাইজৰ পৰা চৰকাৰলৈ আৰু উৰ্দ্ধ-নিম্নগামী প্ৰৱাহ চৰকাৰৰ পৰা ৰাইজলৈ প্ৰৱহিত হ'ব পাৰে। ইউনেস্ক'ই ইয়াকো কৈছিল যে অংশগ্ৰহণমূলক গ্ৰাম্য সংযোগ বাস্তৱ কৰি তুলিবলৈ সংযোগ মাধ্যমবোৰক গাওঁ এলেকাত উপলব্ধ কৰি তুলিব লাগিব। উন্নয়নমূলক কাম-কাজ আৰু সংযোগৰ মাধ্যমবোৰৰ মাজত এক দৃঢ় যোগসূত্ৰ থাকিব লাগিব।

উন্নয়নৰ এই নতুন নিদৰ্শনত ব্যৱহাৰ কৰা সংযোগ কৌশলটোত প্ৰধানতঃ আন্তঃব্যক্তিক চেনেলবোৰ ব্যৱহাৰ কৰা হয়। ইয়াক অত্যাধুনিক আৰু নগৰীয়া সংযোগ মাধ্যমবোৰৰ লগতে থলুৱা পৰম্পৰাগত সংযোগ মাধ্যমবোৰেও সহায় কৰে। সংযোগৰ কৰণীয় কেৱল তথ্যৰ প্ৰসাৰ ঘটোৱাতে সীমাৱদ্ধ হৈ থকা নাই। বৰ্তমান সংযোগে গণ মাধ্যমবোৰৰ সহায়ত সমাজক কোনো কথাত পতিয়ন নিয়াই উন্নয়নৰ বাবে প্ৰয়োজনীয় শিক্ষাৰে শিক্ষিত কৰি তোলাৰ দায়িত্বও পালন কৰে। উন্নয়নমূলক কাৰ্যকলাপৰ বিষয়ে সঁহাৰি অথবা মতামত সংগ্ৰহৰ বাবে বিভিন্ন ধৰণৰ আন্তঃব্যক্তিক চেনেল ব্যৱহাৰ কৰা হয়।

বিগত চাৰিটা দশকত উন্নয়ন সংযোগৰ দৃশ্যপট সমগ্ৰ বিশ্বতে সলনি হৈছে। এনে সংযোগে বৰ্তমান নতুন সংযোগ চেনেলবোৰৰ উপলব্ধতা, লক্ষ্য দৰ্শক গোটবোৰৰ বৈশিষ্ট্য আৰু উন্নয়নৰ চাহিদা আদিৰ দৰে দিশবোৰত গুৰুত্ব দি কাম কৰে। উন্নয়ন সাধন কৰিবলগীয়া বিষয় অনুসৰি সংযোগ কৌশলবোৰৰ পৰিকল্পনা কৰি লোৱা হয়। সংযোগ প্ৰযুক্তিৰ নিত্য-নতুন চেনেলবোৰে আন্তঃব্যক্তিক সংযোগৰ প্ৰকৃতি আৰু পৰিসৰ অভূতপূৰ্বভাৱে সলনি তথা ব্যাপক কৰি তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ খালী ঠাই পূৰণ কৰক-

ক) ফ্রান্সৰ সমাজতাত্ত্বিক.....ক'নৰ মৌলিক গৱেষণাটো অধিক বিকশিত কৰি মত ব্যক্ত কৰিছিল যে সমাজ বিজ্ঞানত কোনো নিদর্শন নাথাকে।

খ) যিকোনো প্রদত্ত সময় এছোৱাত সৰ্বমুঠ ৰাষ্ট্রীয় উৎপাদনৰ ভিত্তিত.....জোখা হৈছিল।

গ) .....আগবঢ়োৱা যুক্তি অনুসৰি উন্নয়নৰ বহুতো বিকল্প পথৰ উল্লেখ থকা নতুন আৰ্হিটোক এটা অতি-আৰ্হি (meta-model) বুলি ক'ব পাৰি।

প্রশ্ন নং ৫ঃ উন্নয়নৰ পশ্চিমীয়া আৰ্হিটোক ৰোজাৰ্চে কি নাম দিছিল?



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

* সামাজিক উন্নয়নৰ পোষকতা আৰু প্রসাৰৰ উদ্দেশ্যেৰে ফলপ্রসূ সংযোগ ব্যৱস্থা বিকশাই তোলাৰ সময়ত উন্নয়ন সংযোগৰ সহায় লোৱা হয়। সমাজত ইতিবাচক সামাজিক পৰিৱর্তন নিশ্চিত কৰিবলৈ সংযোগৰ প্রক্রিয়া, কৌশল আৰু নীতিবোৰ প্রণালীৱদ্ধভাৱে প্রয়োগ কৰাৰ অনুশীলনেই হ'ল উন্নয়ন সংযোগ।

* উন্নয়নৰ প্রধান তত্ব তিনিটা হ'ল- আধুনিকীকৰণ তত্ব (Theory of Modernization), উদ্ভাৱন প্রসাৰ তত্ব (Diffusion of Innovation) আৰু নির্ভৰশীলতা তত্ব (Theory of Dependency)।

* আধুনিকীকৰণ তত্বটো হ'ল এক বিশেষ চিন্তাধাৰা (school of thought) আৰু দৃষ্টিভংগী। ইয়াৰ সৈতে আন বহুতো উমৈহতীয়া মতামত আৰু চিন্তা সংলগ্ন হৈ আছে।

* উদ্ভাৱন প্রসাৰ তত্বটোৱে নতুন ধাৰণা, সেৱা আৰু সামগ্রীৰ প্রসাৰৰ জৰিয়তে মানুহক প্রযুক্তিগত তথা সামজিক উদ্ভাৱনসমূহ গ্রহণ কৰাৰ বাবে অনুপ্রাণিত কৰাৰ কথা কয়।

* নির্ভৰশীলতা তত্ত্বৰ যুক্তি অনুসৰি অনগ্রসৰ বিশ্বৰ সমস্যাবোৰৰ মূল কাৰণ ৰাজনৈতিক। তথ্যৰ অভাৱ অনুন্নয়নৰ প্রধান কাৰণ নহয়। তত্বটোৱে সামাজিক আৰু অর্থনৈতিক কাৰকবোৰক অনগ্রসৰতাৰ মূল কাৰণ বুলি জগৰীয়া কৰে।

*মেক্ব্রাইডৰ ভাষাত "সংযোগ ক্ষমতা এক আহিলা, এক বৈপ্লৱিক অস্ত্র, এটা ব্যৱসায়িক সামগ্রী অথবা শিক্ষাদানৰ এক উপায় হ'ব পাৰে। ইয়াক মুক্তি অথবা দমনৰ উদ্দেশ্য সাধনত ব্যৱহাৰ কৰা হ'ব পাৰে। ই ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সহায় কৰিব পাৰে অথবা মানুহক একেৰূপতা মানি চলাৰ অনুশীলন কৰোৱাব পাৰে।"

* উন্নয়ন সংযোগত নিদর্শনৰ দুটা প্রধান ৰূপ হ'ল- প্রভাৱশালী নিদর্শন আৰু বিকল্প অথবা নব্য নিদর্শন।



৩.৭ অগ্রগতিৰ খতিয়ান

১) অতি চমু প্রশ্নঃ ডেনিয়েল লের্নাৰ আৰু ৱাল্ট ৰ'ষ্ট'।
২) অতি চমু প্রশ্নঃ ১৯৪০ৰ দশকৰ শেষ আৰু ১৯৫০ৰ দশকৰ আদিভাগত।
৩) অতি চমু প্রশ্নঃ নির্ভৰশীলতা তত্ত্ব।
৪) অতি চমু প্রশ্নঃ ক) মাটেই ড'গানে খ) ৰাষ্ট্রীয় উন্নয়নৰ স্তৰ গ) ৰোজার্চ
৫) অতি চমু প্রশ্নঃ উন্নয়নৰ প্রভাৱশালী নিদর্শন।



৩.৮ অধিক জানিবলৈ

1. *International and Development Communication* by Bella Mody, Sage.
2. *Development Communication Sourcebook : Broadening the Boundaries of Communication* by Paolo Mefalopulos, World Bank.
3. *Communication Agent in Development Process* by Anamika Ray.



৩.৯ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন (প্রায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)
১) আধুনিকীকৰণ তত্ত্বই কি কথাত সর্বাধিক গুৰুত্ব দিয়ে?
২) 'নিদর্শন'ৰ সাধাৰণ অর্থ কি?
৩) প্রভাৱশালী নিদর্শন আৰু নব্য নিদর্শনৰ মাজত কি পার্থক্য আছে?

খ) চমু প্রশ্ন (প্রায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)
১) উদ্ভাৱন প্রসাৰ তত্ত্বটোৰ গুৰুত্বপূর্ণ পর্যায়কেইটা কি কি?
২) চমুটোকা লিখক- (ক) পুনঃমনোনিৱেশ (খ) বিপুল মূলধনৰ প্রয়োজন হোৱা প্রযুক্তি

গ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)
১) উন্নয়নৰ তত্ত্বৰোৰ আলোচনা কৰক।
২) উন্নয়নৰ গুৰুত্বপূর্ণ নিদর্শন দুটাৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

*** ***** ***